# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া গুৱাহাটীৰ ৰুক্মিণীগাঁৱৰ নৱনিৰ্মিত **ভগদত্ত** উৰণ সেতুখন উদ্বোধন কৰিব। ১১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা চাৰিটা লেনযুক্ত ৬৭০ মিটাৰ দৈৰ্ঘ্যৰ এই উৰণ সেতুখনে ছয়মাইল, ডাউন টাউন, ৰুক্মিণীগাঁৱৰ যান-জট লাঘৱ কৰিব বুলি আশা কৰা হৈছে। ২০২৪ চনৰ অক্টোবৰত উৰণ সেতুখনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। উৰণ সেতুখনৰ নিৰ্মাণৰ বাবে ১৮ মাহ ধাৰ্য কৰা হৈছিল যদিও ৯ মাহৰ ভিতৰতে ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয়। উদ্বোধনী অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ অভিভাৱক মন্ত্ৰী তথা কৃষি মন্ত্ৰী অতুল বৰা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু গুৱাহাটী পৌৰসভাৰ মেয়ৰ মৃগেন শৰণীয়া প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত **বড়োলেণ্ড স্পীকছ ফ্ৰম ভীজন টু এক্সন** শীৰ্ষক এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপস্থিতিত এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই **ট্ৰেন্সফৰ্মিং বড়োলেণ্ড** শীৰ্ষক এখন গ্ৰন্থও উন্মোচন কৰে। অনুষ্ঠানত বক্তব্য আগবঢ়াই বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই কয়, যে বড়োলেণ্ডত এতিয়া পূৰ্বৰ পৰিৱেশ নাই। ড০ শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰে পৰা সমগ্ৰ ৰাজ্য তথা বড়োলেণ্ডলৈ শান্তি ঘূৰি আহিছে। শ্ৰীবড়োৱে লগতে কয়, যে বড়োলেণ্ডৰ মুঠ ২৬টা জনগোষ্ঠীৰ ১৮টায়ে নিজৰ নিজৰ ভাষা কয় আৰু এই জাতি জনগোষ্ঠীসমূহৰ সম্প্ৰীতিৰ বাবে বিটিচি প্ৰশাসনে দায়িত্ব সহকাৰে কাম কৰি আহিছে। একেটা অনুষ্ঠানতে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এসময়ত গোষ্ঠী তথা সাম্প্ৰদায়িক সংঘৰ্ষত জৰ্জৰ বড়োলেণ্ডত যোৱা ৪ বছৰে এটাও গুলী ফুটা নাই। এসময়ত নিজৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ বড়োলেণ্ডত বহুতেই আন্দোলন কৰিছিল কিন্তু বড়োলেণ্ডত এতিয়া তেনে অশান্ত পৰিৱেশ নাই বুলি উল্লেখ কৰি বড়োলেণ্ডত শান্তিৰ স্থায়িত্ব আনিব পাৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয়, যে বড়োলেণ্ডৰ জনগোষ্ঠীসমূহৰ জনসংখ্যা হ্ৰাস হৈছে। বৰ্তমান প্ৰতিটো জনগোষ্ঠীৰ জনসংখ্যা এক লাখৰ পৰা ৫ লাখৰ ভিতৰত সীমাবদ্ধ হৈ পৰিছে। এতিয়াৰে পৰা বড়োলেণ্ডত অসমীয়াৰ লগতে বড়ো ভাষাতো চৰকাৰী জাননী প্ৰকাশ হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানতে ঘোষণা কৰে। একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিখিল বড়ো ছাত্ৰ সন্থাৰ ১৫ জনীয়া এটা প্ৰতিনিধি দলৰ সৈতেও আলোচনাত ভাগ লয়। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকী শীৰ্ষ বিষয়াই ভাগ লোৱা আলোচনাত বড়ো ছাত্ৰ সংগঠনটোৱে ২০২৬ৰ পূৰ্বে বিটিআৰ চুক্তি ৰূপায়ণ, বিটিআৰৰ সকলো বিদ্যালয় প্ৰাদেশিকীকৰণকে ধৰি কেইবাটাও দাবী জনায়। আলোচনাৰ অন্তত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই আলোচনা সৌহাদ্যপূৰ্ণ বুলি মন্তব্য কৰে।

০০০০০

সমগ্ৰ দেশতে আজি জনসংঘৰ প্ৰতিষ্ঠাপক তথা মহান দেশপ্ৰেমীক শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ১২৫ সংখ্যক জয়ন্তী উদযাপন কৰা হয়। এই উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশ নাৰায়ণ সিং আৰু অন্যান্য নেতাসকলে ড০ মুখাৰ্জীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আয়ুক্ত সংহত কাৰ্যালয়ৰ সভাকক্ষত আজি মহান দেশপ্ৰেমীক গৰাকীৰ জন্ম দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই গছপুলি ৰোপণ কৰাৰ লগতে শ্যামা প্ৰসাদ মুখাৰ্জীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগতো আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গাম্ভীৰ্যপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ে আজিৰে পৰা ২০২৭ বৰ্ষৰ ৬ জুলাইলৈকে দেশজুৰি আয়োজন কৰা দুবছৰীয়া কাৰ্যসূচীৰ অংশ হিচাপে এই বৈঠক অনুষ্ঠিত হয়। সভাত ভাষণ দি জিলা আয়ুক্ত অংকুৰ ভড়ালীয়ে ড০ মুখাৰ্জীৰ দৰে জাতীয় বীৰসকলৰ অৱদান নৱ প্ৰজন্মক অৱগত কৰোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শিলচৰত জিলা প্ৰশাসনৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত কাছাৰৰ জিলা উন্নয়ন আয়ুক্ত নৰসিং বে', বিশিষ্ট কবি অতিন দাসৰ লগতে জ্যেষ্ঠ বিষয়া আৰু কৰ্মচাৰীসকলে ড° মুখাৰ্জীৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি তৰ্পন কৰে। নগাওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা আয়ুক্তৰ লগতে বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকি তেওঁৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি তৰ্পণ কৰে।

০০০০০

সমাপ্ত